# অসম বিধান সভা

## মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

## বৃহস্পতিবাৰ, ২৬ মাৰ্চ, ২০২০

**বাণিজ্য আৰু উদ্যোগ, পৰিবহণ, সংসদীয় পৰিক্ৰমা, এক্ট ইষ্ট পলিচি এফিয়াৰচ্, দক্ষতা, নিয়োগ আৰু উদ্যোগিক উন্নয়ন, মীন, আৱকাৰী, পৰিবেশ আৰু বন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (স্বতন্ত্ৰ দায়িত্ব), জনস্বাস্থ্য কাৰিকৰী আৰু সমবায়।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **উদ্যোগ পাম সন্দৰ্ভত।**

শ্ৰীসুৰেন ফুকন ঃ

*১৭৬। মাননীয় বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত গোলাই গাঁও পঞ্চায়তৰ নৱজ্যোতি গাঁৱত বিগত চৰকাৰৰ দিনত নিৰ্মাণ কৰা উদ্যোগ পাম সন্দৰ্ভত চৰকাৰ অৱগতনে ?

(খ) উদ্যোগ বিভাগৰ মাটিত নিৰ্মাণ কৰা এই পামখনি নিৰ্মাণৰ বাবে কিমান পুঁজি আৱণ্টন দিয়া হৈছিল ?

(গ) চৰকাৰৰ বৃহৎ পুঁজি ব্যয়েৰে নিৰ্মাণ কৰা পামখন বৰ্তমানেও উদ্বোধন নকৰাকৈ বন্ধ অৱস্থাতে আছে। ইতিমধ্যে পামখনৰ বহু অংশ জহি-খহি গৈছে। এই উদ্যোগ পামখন মুকলি কৰি ইয়াৰ জৰিয়তে নিবনুৱা সংস্থাপনৰ কিবা পদক্ষেপ গ্ৰহণৰ চিন্তা কৰিছে নেকি ?

*বিষয় ঃ* **গাঁও পঞ্চায়ত সচিব সন্দৰ্ভত।**

শ্ৰীচাহাব উদ্দিন আহমেদ ঃ

*১৭৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান সংখ্যক গাঁও পঞ্চায়ত সচিবৰ পদ খালী হৈ আছে, জিলা ভিত্তিত তথ্য সদনত দাখিল কৰিব।

(খ) যদি খালী আছে, তেন্তে সেই খালী পদবোৰ পূৰণ কৰিবৰ বাবে চৰকাৰে কিবা চিন্তা-চৰ্চা কৰিছে নেকি আৰু সেই খালী পদসমূহ বৰ্ত্তমানে কোনে, কি ধৰণে চলাই আছে ?

(গ) গাঁও পঞ্চায়তৰ সচিবসকল চৰকাৰী পদমৰ্য্যাদাৰ কৰ্মচাৰী হয়নে ?

(ঘ) যদি হয়, তেন্তে অসম চৰকাৰৰ অইন অইন বিভাগৰ কৰ্মচাৰী সকলৰ পেঞ্চনৰ ব্যৱস্থা থকাৰ দৰে গাঁও পঞ্চায়ত সচিব সকলৰ চৰকাৰী পেঞ্চনৰ ব্যৱস্থা আছেনে ?

(ঙ) যদি নাই, তেন্তে অসম চৰকাৰে তেওঁলোকৰ পেঞ্চনৰ বিষয়ে কিবা ব্যৱস্থা লৈছেনে ? তথ্য সদনত জনাব।

*বিষয় ঃ* **পুনৰ সংস্থাপন সন্দৰ্ভত।**

শ্ৰীবিনোদ হাজৰিকা ঃ

*১৭৮। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানত অৱস্থিত লাইকা আৰু দধিয়া গাঁৱৰ প্ৰায় ২০০০

(দুই হাজাৰ)ৰো অধিক পৰিয়ালক আৰ্থিকভাৱে পুনৰ সংস্থাপিত কৰাৰ ক্ষেত্ৰত পূৰ্বে চৰকাৰে আশ্বাস দিয়া স্বত্বেও কোনো কাৰ্য্যকৰী পদক্ষেপ লোৱা দেখা নাই। চৰকাৰে এই ক্ষেত্ৰত কিবা কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী হ'ব জনাব।

*বিষয়ঃ* **শৌচালয় নিৰ্মাণ।**

শ্ৰীগুৰুজ্যোতি দাস ঃ

*১৭৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে ২০১৬-১৭ চনৰ পৰা ২০১৯-২০ চনলৈকে কিমানটা বিনামূলীয়া শৌচাগাৰ নিৰ্মাণ কৰিলে, জিলা ভিত্তিত তথ্য সমূহ সদনত জনাব।

(খ) ৰাজ্য চৰকাৰে ২০২০-২১ চনৰ বাবে দৰং জিলাত PHE বিভাগৰ জৰিয়তে কি কি নতুন আঁচনি গ্ৰহণ কৰিছে জনাবনে ?

*বিষয়ঃ* **পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগের কৰ্মচাৰী সংক্ৰান্ত।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*১৮০। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) ৰাজ্যে পঞ্চায়তে ও গ্ৰামোন্নয়ন বিভাগে অগাষ্ট ২০১৭ পৰ্যন্ত ১০ বছৰ পূৰ্ণ কৰা ঠিকাভিত্তিক (Casual) কৰ্মচাৰিৰ সংখ্যা কত ?

(খ) গৌহাটি উচ্চ ন্যায়ালয়ে WP(C)45/2014 -এৰ ৰায় অনুসাৰে ১০ বছৰ পূৰ্ণ কৰা ঠিকাভিত্তিক (Casual) কৰ্মচাৰিদেৰ নূন্যতম বেতন দেওয়াৰ নিৰ্দেশ ছিল কি ? যদি থাকে তাহলে Post FRBM এ আলাদা কৰাৰ কাৰণ কি ?

(গ) জেলা ভিত্তিক Post FRBM - এৰ ঠিকাভিত্তিক (Casual) কৰ্মচাৰিদেৰ নামেৰ তালিকা সদনে প্ৰকাশ কৰাৰ অনুৰোধ জানাই।

(ঘ) Post FRBM -এৰ অধীনে ঠিকাভিত্তিক (Casual) কৰ্মচাৰিদেৰ স্থায়ী নিযুক্তিৰ ব্যৱস্থা কবে নাগাদ কৰবে সৰকাৰ ?

*বিষয়ঃ* **উদ্যোগ সম্পৰ্কে।**

শ্ৰীৰফিকুল ইছলাম ঃ

*১৮১। মাননীয় বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বিগত চাৰিটা বিত্তীয় বৰ্ষত কিমানটা লঘু আৰু গুৰু উদ্যোগ স্থাপন কৰা হ'ল আৰু কিমানটা লঘু আৰু গুৰু উদ্যোগ বন্ধ হ'ল ? নাম-ঠিকনাৰে সৈতে তালিকা সদনত দাখিল কৰিব।

(খ) যদি কোনো উদ্যোগ বন্ধ হৈছে, তাৰ সবিশেষ কাৰণ সমূহ সদনত দাখিল কৰিব।

*Sub :* **Various schemes under Commerce and Industry Department.**

Shri ABDUR RASHID MANDAL :

*182. Will the Minister of Commerce and Industry be pleased to state :

(a) Will the Govt. furnish the details of schemes being implemented like IIP(Industrial Investment Policy), NEIPP (North Eastern Industrial Promotion Policy), PMEGP, Swami Vivekananda Assam Youth Empowerment Yojona etc., during 2016/17 to 2019/2020?

(b) Were there any annual target of above schemes ? If yes, please furnish year wise and District wise targets and achievement in details?

(c) How many numbers of applicants under the Swami Vivekananda Assam Youth

Empowerment Yojona and PMEGP were selected by the Goalpara District Industry & Commerce Centre separately for the year 2017/18 and 2019/20 and how many numbers of applicants are awarded loan by different banks during the period, how many numbers of applicants are rejected to award loan by the banks, causes for rejection of loan by the banks be kindly furnished in details, bank wise, year wise and LAC wise for the period.

(d) What steps are taken to sanction loan to all applicants of PMEGP and Swami Vivekananda Assam Youth Empowerment Yojona who were selected by the Goalpara District Industry & Commerce Centre and forwarded to different banks in Goalpara District ?

*বিষয় ঃ* **অশোক কাগজ কল ।**

শ্ৰীমতী অজন্তা নেওগ ঃ

*১৮৩। মাননীয় বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অশোক কাগজ কল পুনৰুজ্জীৱিত কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) যদি হৈছে, কেতিয়ালৈ কাৰ্য্যক্ষম হৈ উঠিব ?

*বিষয় ঃ* **চুলাই মদ ।**

শ্ৰীদুৰ্গা ভূমিজ ঃ

*১৮৪। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০১৬ চনৰ পৰা বৰ্তমানলৈকে চুলাই মদ সেৱন কৰি কিমান মানুহৰ মৃত্যু হৈছে ? বৰ্তমান অসমত চুলাই মদ সেৱন কৰি মৃত্যু হোৱা লোকৰ পৰিয়াল বৰ্গই ক্ষতিপূৰণ পাইছেনে ?

(খ) যদি পোৱা নাই, কিয় পোৱা নাই ? তেওঁলোকে ক্ষতিপূৰণ পোৱাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিবনে ?

(গ) তিনিচুকীয়া জিলাৰ বিভিন্ন চাহ বাগিচাত চুলাই মদৰ বেহা ৰমৰমীয়া ভাৱে চলি আছে এইবোৰ ৰোধকৰাৰ বাবে চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে ?

(ঘ) আৱকাৰী আইন ধোঁৱা চাঙত উঠা কথাতো সঁচানে ? আগতকৈ দুগুন চাহ বাগিচা ও গাঁও অঞ্চলত চুলাই মদৰ বেহা পূৰ্ণগতিত চলি থকাৰ বিষয়ে চৰকাৰ অৱগত নে ?

(ঙ) যদি অৱগত, তেন্তে কিয় চুলাই বেপাৰী সকলৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা নাই জনাব ।

*বিষয় ঃ* **নতুন উদ্যোগ স্থাপন ।**

শ্ৰীকুশল দুৱৰী ঃ

*১৮৫। মাননীয় বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বৰ্তমান অসম চৰকাৰৰ কি কি উদ্যোগ আছে আৰু কোন কেইটা লাভজনক ভাৱে চলি আছে । এইখন চৰকাৰৰ দিনত কি কি নতুন উদ্যোগ স্থাপন কৰা হৈছে অনুগ্ৰহ কৰি জনাব ।

*বিষয় ঃ* **পুৰোহিতৰ পেঞ্চনৰ ব্যৱস্থা।**

শ্ৰীসত্যব্ৰত কলিতা ঃ

*১৮৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

Not Related to the Department

(ক) সামাজিক জীৱনৰ লগত জড়িত ৰাজ্যখনৰ পুৰোহিত আৰু ধৰ্মীয় কাৰ্য সমাপন কৰা লোকসকলক পেঞ্চন দিয়াৰ বিষয়টো চৰকাৰে চিন্তা-চৰ্চা কৰিছে নেকি ?

(খ) যদি কৰা নাই, সেইসকলৰ পৰিয়াল-পৰিচালনাৰ ক্ষেত্ৰত এটা নিৰ্দিষ্ট বয়সৰ পিছত বিশেষভাৱে তেওঁলোকক পেঞ্চন দিয়াৰ কাৰ্যকৰী ব্যৱস্থা ল'বনে ?

*বিষয় ঃ* **চাকৰিত মকৰল।**

শ্ৰীপবিন্দ্ৰ ডেকা ঃ

*১৮৭। माননীয় দক্ষতা, নিয়োগ আৰু উদ্যোগিক উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)অসম চৰকাৰে ২০১৬ চনৰ জুন মাহৰ পৰা ২০১৯ চনৰ ডিচেম্বৰ মাহলৈ ৰাজ্যখনৰ নিবনুৱা চাকৰি প্ৰাৰ্থী কিমানজনক চাকৰিত মকৰল কৰিলে ?

(খ) এনেভাৱে বিভিন্ন বিভাগৰ চাকৰিত মকৰল কৰা লোক সকলৰ কিমান সংখ্যক তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল ? (বিভাগ অনুসৰি হিচাপ দিব) ।

(গ) উক্ত বছৰকেইটাত এনেভাৱে চাকৰিত মকৰল কৰাৰ পাছতো ৰাজ্যখনত পঞ্জীয়নভুক্ত কিমান বি, এ, এম, এ, কে ধৰি হায়াৰচেকেণ্ডাৰী আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰা নিবনুৱা চাকৰি প্ৰাৰ্থী আছে ?

*বিষয় ঃ* **খণ্ড উন্নয়ন বিষয়াৰ বদলি।**

মোঃ নুৰুল হুদা ঃ

*১৮৮। माননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ ৰূপহী আৰু জুৰিয়া উন্নয়ন খণ্ডত ২০১৬ চনৰ মে' মাহৰপৰা ২০২০ চনৰ জানুৱাৰী মাহলৈ কিমানজন খণ্ড উন্নয়ন বিষয়াই কাৰ্য্য নিৰ্বাহ কৰিলে ? যোগদান আৰু বদলিৰ তাৰিখসহ বিতং তথ্য সদনত দাখিল কৰিব।

(খ) উন্নয়ন খণ্ড দুটীত MGNREGA কে আদি কৰি পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত ও চৰকাৰী আঁচনি সমূহ ৰূপায়ণ ঠিকমতে হৈছেনে ? যদি হোৱা নাই, কিহৰ বাবে হোৱা নাই বিতংকৈ জনাব।

*বিষয় ঃ* **কাৰ্য্যক্ষম আৰু বিকল আঁচনিৰ সংখ্যা।**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

*১৮৯। माননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন জিলাত বৰ্তমানে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত থকা কিমানটা আঁচনি (PWSS) কাৰ্য্যক্ষম হৈ আছে, কিমানটা বিকল হৈ আছে ?

(খ) জনস্বাস্থ্য কাৰিকৰী বিভাগ, গোৱালপাৰা সংমণ্ডলৰ অধীনত নতুনকৈ বনোৱা কিমানটা আঁচনি (PWSS) কাৰ্য্যক্ষম হৈ আছে আৰু কিমানটা বিকল হৈ আছে তথ্যসহ জনাব।

(গ) গোৱালপাৰা পূব সমষ্টিত থকা (i) Sundarpur PWSS (ii) Paharsingpara PWSS (iii) Rakhyasini Garopara Pt.-I PWSS আৰু (iv) Natunpara PWSS আঁচনি কেইটাৰ কাম সম্পূৰ্ণ হোৱাৰ পিছতো কাৰ ভুলৰ বাবে আজিলৈকে কাৰ্য্যক্ষম হৈ উঠা নাই ?

(ঘ) যদি কোনোবা ঠিকাদাৰ বা বিষয়াৰ ভুলৰ বাবে উক্ত আঁচনি কেইটা কাৰ্য্যক্ষম হৈ উঠা নাই তেতিয়াহ'লে তেওঁলোকৰ বিৰুদ্ধে কিবা শাস্তিমূলক ব্যৱস্থা লোৱা হ'বনে ?

(ঙ) গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত বলদমাৰী চৰত থকা Kalu Bazar PWSS আঁচনিৰ নামত চৰকাৰে নতুনকৈ কোনো ধন অনুমোদন দিছে নেকি ?

(চ) যদি দিছে, তেন্তে কোন শিতান (Head) ৰ পৰা অনুমোদন দিছে তথ্যসহ জনাব।

(ছ) এই কামখিনি কৰাৰ বাবে কোনোবা ঠিকাদাৰৰ নামত আবণ্টন দিয়া হৈছে নেকি ? যদি কোনোবা ঠিকাদাৰক আবণ্টন দিয়া হৈছে

...নেহ'লে এই কামৰ নিবিদা কেতিয়া আহ্বান কৰা হৈছিল আৰু এই নিবিদা কোন কোন বাতৰি কাকতত প্ৰকাশ পাইছিল ? তথ্যসহ জনাব ।

*বিষয় ঃ* **অশোক পেপাৰ মিলৰ মাটিত বিকল্প উদ্যোগ প্ৰতিষ্ঠা ।**

শ্ৰীঅনন্ত কুমাৰ মালো ঃ

*১৯০। মাননীয় বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ ৩৫ নং অভয়াপুৰী দক্ষিণ (অনুঃ) বিধান সভা সমষ্টিৰ যোগীঘোপা অশোক পেপাৰ মিলটো বহু বছৰৰ পৰা বন্ধ হৈ আছে, তাত বিকল্প উদ্যোগ প্ৰতিষ্ঠা কৰাৰ বাবে কোনো পদক্ষেপ হাতত লোৱা হৈছে নেকি ?

(খ) যদি লৈছে, তাত কি কি উদ্যোগ প্ৰতিষ্ঠা কৰা হ'ব ?

(গ) যদি প্ৰতিষ্ঠা কৰা হয়, কেতিয়ালৈ কাম আৰম্ভ কৰা হ'ব ?

*বিষয় ঃ* **NRLৰ CSR পুঁজি Aspirational জিলাক আবণ্টন দিয়াৰ সম্পৰ্কত।**

শ্ৰীমতী ৰ'জলীনা তিৰ্কী ঃ

*১৯১। মাননীয় বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ নীতি আয়োগে অসমৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ সমূহক তেওঁলোকৰ সামাজিক দায়বদ্ধতা আঁচনিৰ পুঁজিৰ একাংশ Aspirational জিলালৈ আবণ্টন দিবলৈ কোনো নিৰ্দেশনা দিছে নেকি ? যদি এনে কোনো নিৰ্দেশনা আছে ইয়াৰ প্ৰতিলিপি প্ৰেৰণ কৰিবনে ?

(খ) নুমলীগড় তেল শোধনাগাৰে এই নীতি নিৰ্দেশনা কাৰ্য্যকৰী কৰিছেনে ?

(গ) বিগত তিনিটা বৰ্ষত নুমলীগড় তেল শোধনাগাৰে নীতি আয়োগৰ নিৰ্দেশনাৰ ভিত্তিত কিমান শতাংশ পুঁজি কোন কোন Aspirational জিলাক ক'ত ক'ত কিমান টকাকৈ আবণ্টন দিছে বিতংকৈ জনাব ।

*বিষয় ঃ* **বনাঞ্চল সংৰক্ষণ।**

শ্ৰীমতী নন্দীতা দাস ঃ

*১৯২। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলাৰ অন্তৰ্গত Bogaikhas Forest Reserve ৰ মাটিকালি কিমান ?

(খ) Bogaikhas Forest Reserve ৰ কিমান মাটিকালি বকো সমষ্টিৰ অন্তৰ্ভুক্ত ? ইয়াৰে কিমান মাটিকালি বে-দখলযুক্ত ?

(গ) Bogaikhas Forest Reserve ত কি কি বনজ সম্পদ, বন্য প্ৰাণী পোৱা যায় ? তাত থকা বনজ সম্পদ, বন্য প্ৰাণী তথা মাটিকালি সমূহ উপযুক্ত ৰক্ষণাবেক্ষণ দিয়াৰ বাবে এটি Forest Range Office পৰ্য্যায়ৰ কাৰ্য্যালয় স্থাপন কৰিব পৰা যাব নেকি ? যদি যায়, চৰকাৰে এই ক্ষেত্ৰত অধিসূচনা জাৰি কৰিব নেকি ?

*Sub :* **Release of fund for material-component under MGNREGA etc.**

Shri SHERMAN ALI AHMED :

*193. Will the Minister of P & RD be pleased to state :

(a) What is the total value of bills for material-component pending vis-a-vis fund released to different blocks under MGNREGA during 2018-19 and 2019-20 ? Please furnish block wise details with the dates of release.

(b) Is the Govt. aware that huge amount of bills for material-component are pending in Mandia Block ? If yes, when shall the same be released ? Please furnish details.

(c) How many posts of GP Secretaries are lying vacant in Assam? When shall these be filled up ?

(d) Is the Govt. aware that Mandia Block is the largest block (population-wise and area-wise) ?

(e) Is the Govt. aware that Mandia Block is pre-dominantly char areas and the transportation is very precarious (i.e. by boat, on foot and motor bike) ?

(f) How many posts of GP Secretaries are lying vacant in Mandia Block ? Please furnish GP wise vacancy position and name of Secretaries now holding charge of these GPs.

(g) When shall these vacancies be filled up ?

*Sub :* **Facility to Dibyanga people in Government Buses.**

Dr. NUMAL MOMIN :

*194. Will the Minister of Transport be pleased to state :

(a) What are the different measures taken to ease the problems of Dibyanga people to get in and get out of Government buses in Assam ?

(b) Is there any special consideration to Dibyanga people in Government buses in Assam ?

*বিষয় ঃ* **ঠিকাভিত্তিক কৰ্মচাৰী।**

শ্ৰীমৃনাল শইকীয়া ঃ

*১৯৫। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ঠিকা ভিত্তিক কৰ্মচাৰী কিমানজন আছে ?

(খ) এই ঠিকা ভিত্তিক কৰ্মচাৰী সকলে বিগত ২১ মাহ ধৰি দৰমহা নোপোৱা বিষয়তো চৰকাৰৰ অৱগতনে ?

(গ) এই বিষয়ত চৰকাৰে কি পদক্ষেপ হাতত লৈছে ?

---

AGP (Mini) 56/20-L.A.Q.-750-18-03-20